এই নীতিয়ে শিশু সুৰক্ষা আৰু কল্যাণ নিশ্চিত কৰাৰ বাবে শিশুৰ সৈতে কাম কৰা বা শিশুৰ সংস্পৰ্শলৈ অহা সকলো প্ৰতিষ্ঠান, সংগঠন আৰু সংস্থাই মানি চলিবলগীয়া কিছুমান নিৰ্দেশনা, পদ্ধতি আৰু ব্যৱস্থা নিৰ্ধাৰণ কৰে। এই নীতিৰ মূল উদ্দেশ্য হৈছে শিশুৰ বিৰুদ্ধে যিকোনো ধৰণৰ হিংসাৰ ক্ষেত্ৰত শূন্য সহনশীলতা নিশ্চিত কৰা। এই নীতিত নিম্নলিখতসমূহ বিষয়সমূহ অন্তভুৰ্ক্ত -

(i) শিশু সম্পৰ্কীয় আইন সমূহৰ বিধানসমূহ মানি চলা আৰু আচৰণ বিধি নিৰ্ধাৰণ কৰা।

(ii) অনুষ্ঠানৰ ভিতৰত আৰু বাহিৰত অভিযোগৰ প্ৰতিবেদন ব্যৱস্থা স্থাপনৰ লগতে প্ৰৱেশৰ সুবিধা নিশ্চিত কৰা।

(iii) প্ৰত্যক্ষ বা পৰোক্ষভাৱে শিশুৰ লগত জড়িত কৰ্মচাৰী, স্বেচ্ছাসেৱক, সেৱা প্ৰদানকাৰী আৰু অনান্য শিশুৰ লগত জড়িত ব্যক্তিসকলৰ সঠিক পৰক্ষী-নিৰীক্ষণৰ ব্যৱস্থা কৰা।

(iv) প্ৰতিষ্ঠানৰ কৰ্মচাৰীসকলক শিশু সুৰক্ষা সম্পৰ্কে প্ৰশিক্ষণ দিয়া আৰু অভিযোগ দাখিল কৰা ব্যৱস্থাৰ বিষয়ে অৱগত কৰা।

(v) এই নীতি কিমান ফলপ্ৰসুভাৱে কাৰ্যকাৰী হৈছে সেয়া জানিবলৈ নিৰীক্ষণ মূল্যায়নৰ ব্যৱস্থা কৰা।

**3. সংজ্ঞা**

(1) এই নীতিৰ প্ৰাসংগিকতা অনুসৰি।

(a) আইন মানে - যৌন অপৰাধৰ পৰা শিশুক সুৰক্ষা আইন, ২০১২

(b) নিৰ্যাতন মানে – শিশুৰ প্ৰতি ইচ্ছাকৃতভাৱে কৰা দুৰ্ব্যৱহাৰ যিয়ে শিশুৰ সুৰক্ষা, মংগল, মৰ্যাদা আৰু বিকাশৰ ক্ষতি কৰিব পাৰে বা ক্ষতি কৰাৰ সম্ভাৱনা থাকে। ইয়াৰ ভিতৰত সকলো ধৰণৰ শাৰীৰিক, মানসিক, আৱেগিক আৰু যৌন নিৰ্যাতন অন্তভুৰ্ক্ত।

নিৰ্যাতন সাধাৰণতে তলত দিয়া চাৰি প্ৰকাৰৰ-

(i) **শাৰীৰিক নিৰ্যাতনঃ** শাৰীৰিক নিৰ্যাতন হ'ল যিকোনো কাৰ্য্য যিয়ে শিশুৰ আকস্মিক শাৰীৰিক আঘাতৰ ফলত শিশুটিক প্ৰকৃত বা সম্ভাব্য শাৰীৰিক আঘাত বা দুখ-কষ্টৰ সৃষ্টি কৰিবলৈ হিংস্ৰ শাৰীৰিক শক্তিৰ ব্যৱহাৰ জড়িত হৈ থাকে। (উদহাৰণস্বৰূপে- মাৰপিট কৰা, জোকাৰণি, জ্বলাই দিয়া, যৌনাংগত আঘাতপ্ৰাপ্ত কৰা আৰু অত্যাচাৰ কৰা।)

(ii) **আৱেগিক বা মানসিক নির্যাতনঃ** শিশুৰ প্রতি এনে কথা বা আচৰণ কৰা, যাৰ ফলত শিশুৱে অপমানিত হয়, ভয় বা অৱহেলিত অনুভৱ কৰে। ইয়াৰ ভিতৰত সদায় সমালোচনা কৰা, প্রত্যাখান কৰা, আনৰ পৰা আতৰাই ৰখা, ভয় দেখুওৱা, গুৰুত্ব নিদিয়া আৰু বাৰে বাৰে লজ্জিত কৰা আদি অন্তৰ্ভুক্ত।

(iii) **যৌন নির্যাতনঃ** শিশুৰ ওপৰত হোৱা যিকোনো ধৰণৰ যৌন হিংসা, নিকট আত্মীয়ৰ সৈতে যৌন সম্পর্ক, বাল্য বিবাহ, বলপূর্বক বিবাহ, ধর্ষণ আদিক যৌন নির্যাতন বুলি কোৱা হয়। ইয়াৰ উপৰিও অশ্লীল ছবি বা ভিডিঅত শিশুক ব্যৱহাৰ কৰা, শিশুক অনুচিতভাৱে স্পর্শ কৰা, যৌন দাসত্ব, শিশুৰ সন্মুখত যৌন বিষয়ৰ অশ্লীল কথা কোৱা বা অশ্লীল ছবি ভিডিঅ দেখুওৱাও যৌন নির্যাতনৰ ভিতৰত পৰে।

(iv) **অৱেহলাৰ জৰিয়তে হোৱা নির্যাতনঃ** ইচ্ছাকৃতভাৱে বা অৱেহলাৰ ফলত শিশুৰ প্রয়োজনীয় যত্ন, সুৰক্ষা আৰু অধিকাৰ নিশ্চিত নকৰা বা অসাৱধানতাৰ বাবে শিশুক প্রয়োজনীয় যত্ন আৰু সুৰক্ষাৰ পৰা বঞ্চিত কৰাকে অৱহেলা বুলি কোৱা হয়। এনে অৱহেলাৰ ফলত শিশুৰ স্বাস্থ্য, শিশুৰ সামাজিক আৰু মানসিক বিকাশত বেয়া প্রভাৱ পৰিব পাৰে। অৱহেলাক কেতিয়াবা নির্যাতনৰ নিষ্ক্রিয় ৰূপ বুলিও কোৱা হয় কাৰণ ই শিশুৰ যত্ন আৰু সুৰক্ষাৰ কিছুমান মূল দিশ পালন নকৰাৰ সৈতে জড়িত, যাৰ ফলত শিশুৰ স্বাস্থ্য বা বিকাশৰ যথেষ্ট ক্ষতি হয়, য'ত আৱেগিক আৰু সামাজিকভাৱে লাভৱান হোৱাত ব্যর্থতাও অন্তৰ্ভুক্ত।

(c) **"সুৰক্ষিত পৰিৱেশ" মানে এনে এক পৰিৱেশ, য'ত শিশুৱে তলত দিয়া সুৰক্ষা আৰু সুবিধাসমূহ লাভ কৰে—**

(i) নির্যাতন, অৱহেলা, শোষণ আৰু সকলো ধৰণৰ হিংসাৰ পৰা সুৰক্ষা আৰু মুক্তি;

(ii) শিশুৰ ক্ষতি হোৱাৰ সম্ভাৱনা প্রতিৰোধ কৰা;

(iii) শিশুৰ অসুৰক্ষিত অৱস্থা বা বিপদৰ সম্ভাৱনা কমোৱা;

(iv) শিশুৰ সুৰক্ষা সেৱা আৰু প্রয়োজনীয় সহায়-ব্যৱস্থা লাভ কৰাৰ সুবিধা;

(v) চৰকাৰী সুৰক্ষা আৰু সামাজিক সুৰক্ষা আঁচনিৰ সুবিধাৰ পৰা শিশুৱে যাতে বঞ্চিত নহয়, সেয়া নিশ্চিত কৰা;

(vi) শিশুসমূহৰ প্রতি চৰকাৰ, কর্মচাৰী, প্রতিষ্ঠান, পৰিয়াল, নিয়োগকর্তা আৰু সমাজৰ দায়বদ্ধতা নিশ্চিত কৰা; আৰু

(vii) এনে এক সহায়ক পৰিৱেশ সৃষ্টি কৰা, য'ত শিশুৱে ভয় নোহোৱাকৈ নিজৰ মতামত আৰু কথা মুক্তভাৱে প্রকাশ কৰিব পাৰে।

**(d) বিধিমানে শিশুক যৌন অপৰাধৰ পৰা সুৰক্ষা বিধি** (POCSO), ২০২০।

(2) এই নীতিত ব্যৱহাৰ কৰা কোনো শব্দ বা প্রকাশ হোৱা অর্থ যাৰ সংজ্ঞা এই নীতিত দিয়া হোৱা নাই, তেন্তে উক্ত আইন আৰু বিধিত দিয়া অর্থ প্রযোজ্য হব।

**4. নীতি ৰূপায়ণৰ প্রযোজ্যতা**

এই নীতি তলত উল্লেখ কৰা ব্যক্তি আৰু প্রতিষ্ঠানসমূহৰ ক্ষেত্রত প্রযোজ্য হব -

(i) **শিশুৰ সৈতে পোনপটীয়াকৈ সম্পর্ক থকা ব্যক্তি:** যিসকল ব্যক্তি শিশুৰ সৈতে জড়িত চাকৰি, স্বেচ্ছাসেৱা অথবা আন কোনো সেৱাৰ জৰিয়তে শিশুৰ সৈতে পোনপটীয়াকৈ সংস্পর্শত থাকে তেওঁলোক এই নীতিৰ অধীনত থাকিব। এই

সংস্পৰ্শ নিয়মীয়া, মাজে-সময়ে, অস্থায়ী বা দীৰ্ঘম্যাদী হ'ব পাৰে। ডিজিটেল মাধ্যম বা অনলাইন প্লেটফৰ্মৰ জৰিয়তে শিশুৰ সৈতে যোগাযোগ কৰা ব্যক্তিও ইয়াৰ অন্তৰ্ভুক্ত।

**(ii) শিশুৰ সৈতে পৰোক্ষভাৱে সম্পৰ্ক থকা ব্যক্তি:** যিসকল ব্যক্তিৰ পেছাদাৰী / স্বেচ্ছাসেৱীক / অবৈতনিক কামৰ বাবে শিশুৰ সৈতে পোনপটীয়াকৈ জড়িত থাকিব নালাগে, কিন্তু শিশুৰ ব্যক্তিগত তথ্য, ফটো, চিকিৎসাৰ তথ্য, কেছ ফাইল বা আন কোনো তথ্য চোৱাৰ বা ব্যৱহাৰ কৰাৰ সুযোগ থাকে, তেওঁলোকো এই নীতিৰ অধীনত থাকিব। এই সম্পৰ্ক নিয়মীয়া, মাজে-সময়ে, অস্থায়ী বা দীৰ্ঘম্যাদী হ'ব পাৰে।

**(iii) যত্ন লোৱা ব্যক্তি / সহায়ক কৰ্মী:** শিশুৰ যত্ন আৰু সুৰক্ষা বাবে কাম-কাজত সহায় কৰা বেতন পোৱা হওক বা বেতন নোপোৱা কৰ্মচাৰীও এই নীতিৰ অধীনত থাকিব।

**(iv) শিশুৰ যত্ন অনুষ্ঠান:** ইয়াৰ ভিতৰত কিশোৰ ন্যায় বিচাৰ (শিশুৰ যত্ন আৰু সুৰক্ষা) আইন, ২০১৫ৰ অধীনত স্বীকৃত শিশু গৃহ (Children's Home), মুক্ত আশ্ৰয় গৃহ (Open Shelter), পৰ্যবেক্ষণ গৃহ (Observation Home), বিশেষ গৃহ (Special Home), নিৰাপদ আশ্ৰয়স্থল (Place of Safety) বিশেষ দত্তক গ্ৰহণ সংস্থা (Specialized Adoption Agency) আৰু উপযুক্ত স্থান (Fit Facility) আদি অন্তভুৰ্ক্ত। এই অনুষ্ঠানসমূহত যত্ন আৰু সুৰক্ষাৰ প্ৰয়োজন হোৱা শিশুসকলক সেৱা আগবঢ়োৱা হয়।

**(v) শিক্ষানুষ্ঠান:** ৰাজ্যত অৱস্থিত ৰাজ্য চৰকাৰ বা ব্যক্তিগত সংস্থাই চলোৱা আৰু ৰাজ্যিক বা কেন্দ্ৰীয় শিক্ষা ব'ৰ্ডৰ দ্বাৰা স্বীকৃত বিদ্যালয়, আৱাসিক বিদ্যালয় আৰু হোষ্টেলসমূহ এই নীতিৰ অধীনত থাকিব। ইয়াৰ লগতে শিক্ষাৰ অধিকাৰ আইন, ২০০৯ অনুসৰি ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰে চলোৱা আৱাসিক বিদ্যালয়, হোষ্টেল আৰু আৱাসিক ব্ৰীজ ক'ৰ্ছো ইয়াৰ অন্তৰ্ভুক্ত। ভাৰতীয় সংবিধানৰ ২৯ আৰু ৩০ নং অনুচ্ছেদ অনুসৰি স্থাপিত সংখ্যালঘু শিক্ষানুষ্ঠানসমূহো, যদি অসমত কাৰ্যকৰী হৈ থাকে, এই নীতিৰ অধীনত থাকিব।

**(vi) অস্থায়ী আশ্ৰয় শিবিৰ:** প্ৰাকৃতিক দুৰ্যোগ বা আন কোনো জৰুৰীকালীন পৰিস্থিতিৰ সময়ত জিলা বা ৰাজ্য প্ৰশাসনে স্থাপন কৰা অস্থায়ী আশ্ৰয় শিবিৰ, য'ত অভ্যান্তৰীনভাৱে স্থানচ্যুত ব্যক্তিসকল অস্থায়ীভাৱে বাস কৰা শিবিৰসমূহ এই নীতিৰ অধীনত থাকিব। অসমত এনে শিবিৰ স্থাপন আৰু পৰিচালনা কৰাৰ সময়ত দুৰ্যোগ ব্যৱস্থাপনা সহায়িকা পুথি, ২০১৫ আৰু তাত উল্লেখ কৰা সাহায্য শিবিৰ পৰিচালনাৰ নিৰ্দেশনা মানি চলিব লাগিব।

**(vii) বেচৰকাৰী সংস্থা / সামাজিক সংগঠন :**

বেচৰকাৰী সংস্থা / সামাজিক সংগঠন বা ব্যক্তিগত সংস্থাই চলোৱা আৰু বিভিন্ন আইন, যেনে সমিতি পঞ্জীয়ন আইন, ন্যাস সম্পৰ্কীয় আইন বা কোম্পানী সম্পৰ্কীয় আইন -ৰ অধীনত পঞ্জীয়নভুক্ত প্ৰতিষ্ঠানসমূহ এই নীতিৰ অধীনত থাকিব। চৰকাৰী বা ব্যক্তিগতভাৱে পুঁজি লাভ কৰা বা নকৰা এনে প্ৰতিষ্ঠানে শিশুৰ বাবে আৱাসিক বা অনাৱাসিক সেৱা আগবঢ়ালেও এই নীতি প্ৰযোজ্য হ'ব।

**(viii) দত্তক গ্ৰহণৰ সৈতে জড়িত ব্যক্তি বা প্ৰতিষ্ঠান:**

যিসকল ব্যক্তি বা প্ৰতিষ্ঠানে শিশুক দত্তক লয় বা দত্তক দিয়াৰ প্ৰক্ৰিয়াৰ সৈতে জড়িত থাকে, তেওঁলোকে কেন্দ্ৰীয় দত্তক গ্ৰহণ সম্পদ প্ৰাধিকৰণ (Central Adoption Resource Authority)-ৰ সময় সময়ে জাৰি কৰা নিয়ম আৰু নিৰ্দেশনা মানি চলিব লাগিব।

**(ix) নিয়োগকৰ্তা:**

শিশুক কামত নিয়োগ কৰাৰ ক্ষেত্ৰত নিয়োগকৰ্তাই প্ৰযোজ্য আইন আৰু নিয়মসমূহ মানি চলিব লাগিব। শিশু শ্ৰমিক নিয়োগ নকৰা আৰু শিশুৰ অধিকাৰ আৰু সুৰক্ষা নিশ্চিত কৰাটো নিয়োগকৰ্তাৰ দায়িত্ব হ'ব।

**5. কাৰ্যকৰী কৰাৰ পদ্ধতি**

এই নীতিয়ে বিভিন্ন ধৰণৰ শিশুৰ লগত জড়িত আইন যেনে কিশোৰ ন্যায় বিচাৰ (শিশুৰ যত্ন আৰু সুৰক্ষা) আইন, ২০১৫; শিশুক যৌন অপৰাধৰ পৰা সুৰক্ষা প্ৰদান কৰা আইন, ২০১২; শিক্ষাৰ অধিকাৰ আইন, ২০০৯; শিশু আৰু কিশোৰ শ্ৰমিক (নিষেধ আৰু নিয়ন্ত্ৰণ) আইন, ১৯৮৬; আৰু শিশু অধিকাৰ সুৰক্ষা আয়োগ আইন, ২০০৫- বিধিগতভাৱে সংগতি ৰাখি প্ৰতিৰোধ আৰু সঁহাৰিৰ পদ্ধিতক সামৰি লৈছে।

**(1) প্ৰতিৰোধমূলক ব্যৱস্থা**

**(i) অনুষ্ঠানৰ বাবে নিজা শিশু সুৰক্ষা ব্যৱস্থা প্ৰস্তুত কৰা**

প্ৰতিটো আৱাসিক, অনাৱাসিক আৰু অস্থায়ী প্ৰতিষ্ঠানে শিশু সুৰক্ষাৰ বাবে নিজা নিয়ম আৰু ব্যৱস্থা প্ৰস্তুত কৰিব লাগিব।

শিশুৰ সুৰক্ষা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ তথ্য সকলোৰে সহজে চকুত পৰা ঠাইত প্ৰদৰ্শন বা প্ৰচাৰ কৰিব লাগিব। এই তথ্য পৰিশিষ্ট-১ (Annexure-I) অনুসৰি প্ৰদৰ্শন কৰিব লাগিব।

প্ৰতিষ্ঠানৰ চৌহদত চিচি টিভ (CCTV) কেমেৰা স্থাপন কৰিব লাগিব। বিশেষকৈ যিবোৰ ঠাই কেমেৰাত সহজে দেখা নাযায়, অৰ্থাৎ দৃষ্টিৰ বাহিৰৰ ঠাইসমূহৰ ওপৰতো বিশেষ গুৰুত্ব দিব লাগিব।

**(ii) শিশু নিৰপত্তা বিষয়া নিযুক্ত কৰা**

(a) প্ৰতিটো প্ৰতিষ্ঠানে নিজৰ কৰ্মচাৰীৰ মাজৰ পৰা এজন ব্যক্তিক শিশু নিৰাপত্তা বিষয়া হিচাপে মনোনীত কৰিব লাগিব।

(b) তেওঁৰ শিশুৰ অধিকাৰ আৰু শিশু সুৰক্ষাৰ নিয়ম-কানুনৰ বিষয়ে পৰ্যাপ্ত জ্ঞান থাকিব লাগিব।

(c) যিজন ব্যক্তিয়ে মদ, ধপাত বা অন্য কোনো নিচাজাতীয় সামগ্ৰী সেৱন কৰে, তেওঁক শিশু নিৰাপত্তা বিষয়া হিচাপে মনোনীত কৰিব নোৱাৰিব।

(d) প্ৰতিষ্ঠানখনে শিশু নিৰাপত্তা বিষয়া গৰাকীক শিশুৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে প্ৰয়োজনীয় দায়িত্ব আৰু কৰ্তব্য দিব লাগিব।

**(2) নীতি সম্পৰ্কে পৰিচয় আৰু প্ৰশিক্ষণ**

প্ৰতিষ্ঠানত থকা শিশু নিৰাপত্তা বিষয়াসকলৰ জ্ঞান আৰু দক্ষতাৰ দায়িত্ব ৰাজ্যিক পৰ্যায়ত ৰাজ্যিক শিশু সুৰক্ষা সমিতি আৰু জিলা পৰ্যায়ত জিলা শিশু সুৰক্ষা গোটক প্ৰদান কৰা হৈছে।

ৰাজ্যিক শিশু সুৰক্ষা সমিতিয়ে আৰম্ভণি প্ৰশিক্ষণ বা পৰিচয়মূলক হাতপুথি (Module) প্ৰস্তুত কৰি জিলা শিশু সুৰক্ষা গোটসমূহক দিব পাৰে। জিলা শিশু সুৰক্ষা গোটসমূহে অনুষ্ঠানসমূহৰ সহযোগত এই প্ৰশিক্ষণ কাৰ্যসূচী কাৰ্যকৰী কৰিব। নীতি সফলভাৱে কাৰ্যকৰী কৰাৰ বাবে অনুষ্ঠানসমূহে তলত দিয়া ন্যূনতম ব্যৱস্থাসমূহ গ্ৰহণ কৰিব লাগিব।

(i) শিশু সুৰক্ষাৰ নিয়ম আৰু ব্যৱস্থা প্ৰস্তুত কৰা।

(ii) কৰ্মচাৰীসকলৰ বাবে আদৰ্শ আচৰণবিধি (Code of Conduct) প্ৰস্তুত কৰা।

(iii) প্ৰতিষ্ঠান পৰ্যায়ত এজন শিশু নিৰাপত্তা বিষয়া মনোনীত কৰা।

(iv) **তলত দিয়া গুৰুত্বপূৰ্ণ কামসমূহ কৰা—**

(a) প্ৰতিটো প্ৰতিষ্ঠানে সময়ে সময়ে নিজৰ কৰ্মচাৰী, পৰিচালনা সমিতি আৰু পৰিচালনা/শাসন সমিতিৰ সদস্যসকলক এই নীতিৰ বিষয়ে পৰিচয় আৰু প্ৰশিক্ষণ দিব লাগিব।

(b) যিসকল পৰিয়ালে বিকল্প যত্নৰ অধীনত শিশুক তত্বাবধানত লয়, সেইসমূহ পৰিয়ালক শিশু সুৰক্ষা নীতি, প্ৰাসংগিক আইন-কানুন, কোনো ঘটনা ঘটিলে কেনেকৈ আৰু ক'ত অভিযোগ কৰিব লাগে আৰু কি কি নিয়ম মানিব লাগে সেই বিষয়ে প্ৰাথমিক প্ৰশিক্ষণ আৰু সময়ে সময়ে পুনৰ প্ৰশিক্ষণ দিয়া দায়িত্ব জিলা শিশু সুৰক্ষা গোটৰ।

(c) প্ৰতিষ্ঠানসমূহে শিশু/ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ অভিভাৱকসকলক শিশুৰ ওপৰত হ'ব পৰা যৌন নিৰ্যাতন, ভাল আৰু বেয়া স্পৰ্শ আৰু বিশেষকৈ যৌন অপৰাধৰ পৰা শিশুক সুৰক্ষা প্ৰদান কৰা আইন, ২০১২ বিষয়ে সজাগ কৰিব লাগিব।

**6. বিশিষ্ট ব্যক্তি বা প্ৰতিষ্ঠানৰ যোগাযোগৰ তথ্য প্ৰকাশ কৰা**

সকলো অনুষ্ঠান / প্ৰতিষ্ঠানে তলত উল্লেখ কৰা ব্যক্তি/প্ৰতিষ্ঠানৰ নাম আৰু যোগাযোগৰ তথ্য বিশিষ্ট স্থানত প্ৰদৰ্শন কৰিব লাগিব:

(i) স্থানীয় থানা

(ii) শিশু কল্যাণ সমিতিৰ সদস্য

(iii) কিশোৰ ন্যায় ব'ৰ্ডৰ সদস্য

(iv) ওচৰৰ বিশেষ কিশোৰ আৰক্ষী ইউনিটৰ শিশু কল্যাণ বিষয়া

(v) জিলা শিশু সুৰক্ষা বিষয়া (ডিচিপিঅ')

(vi) জৰুৰীকালীন সঁহাৰি সেৱা ব্যৱস্থা (১১২), শিশু হেল্পলাইন (১০৯৮), আৰক্ষী (১০০), মহিলা হেল্পলাইন (১৮১)

(vii) প্ৰতিষ্ঠানৰ শিশু নিৰাপত্তা বিষয়া (চি এছ অ')।

**7. প্ৰতিষ্ঠানসমূহৰ দ্বাৰা সময়ে সময়ে বিপদৰ মূল্যায়ন**

সকলো প্ৰতিষ্ঠানে ইয়াৰ লগত জড়িত বিপদসমূহৰ মূল্যায়ন কৰিব লাগিব আৰু সেই অনুসৰি প্ৰশমন পৰিকল্পনাৰ ৰূপৰেখা প্ৰস্তুত কৰিব লাগিব। প্ৰশমন পৰিকল্পনাৰ ৰূপৰেখা প্ৰস্তুত কৰোতে ডিজিটেল/অনলাইন/চাইবাৰ সুৰক্ষাৰ বিপদসমূহো মূল্যায়ন কৰিব পাৰি।

**8. মাদক দ্ৰব্যৰ ব্যৱহাৰৰ কাৰ্যকলাপৰ পৰা সুৰক্ষা**

শিশুসকলক আশ্ৰয় শিবিৰ বা যত্ন লোৱা প্ৰতিষ্ঠানসমূহৰ ভিতৰত আৰু ইয়াৰ আশে-পাশে নিৰাপদ আৰু মাদক দ্ৰব্যৰ ব্যৱহাৰমুক্ত পৰিৱেশ নিশ্চিত কৰিব লাগিব। ধঁপাত, মদ, নিচাযুক্ত দ্ৰব্য আৰু অন্যান্য মাদক সামগ্ৰী যাতে শিশুৰ বাবে সুলভ নহয় তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। শিশুক আশ্ৰয় দিয়া অঞ্চলত চিগাৰেট আৰু অন্যান্য ধঁপাতজাতীয় সামগ্ৰী আইন (COTPA), ২০০৩ৰ বিধানসমূহ কঠোৰভাৱে কাৰ্যকৰী কৰা হ'ব।

**9. শিশুৰ সময়ে সময়ে স্বাস্থ্য পৰীক্ষা আৰু প্ৰতিষেধক প্ৰদান**

(1) শিশুৰ নিয়মীয়া স্বাস্থ্য পৰীক্ষা, যোগ্য / পেছাদাৰী চিকিৎসকৰ দ্বাৰা পৰীক্ষা আৰু নিৰীক্ষণ কৰা হ'ব আৰু লগতে শিশুসকলক সঠিকভাৱে প্ৰতিষেধক দিয়াটোও নিশ্চিত কৰিব লাগিব।

(2) শিশুৰ সৈতে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সংস্পৰ্শলৈ অহা সকলো কৰ্মচাৰীৰ বাবে (শৈক্ষিক প্ৰতিষ্ঠানৰ বাবে শিক্ষক আৰু অন্যান্য কৰ্মচাৰী দুয়োটা) তেওঁলোকৰ অপৰাধজনিত তথ্য আৰক্ষীয়ে বাধ্যতামূলকভাৱে পূৰ্ব পৰীক্ষা কৰিব লাগিব।

**10. এটা অনুষ্ঠানৰ প্ৰতিজন কৰ্মচাৰীৰ চুক্তি স্বাক্ষৰ**

শিশুৰ সৈতে প্ৰত্যক্ষ আৰু পৰোক্ষ সংস্পৰ্শলৈ অহা সকলো কৰ্মচাৰীয়ে পৰিশিষ্ট-II অনুসৰি শিশু সুৰক্ষা সম্পৰ্কীয় সকলো বিধিগত আৰু অবিধিগত বিধান মানি চলিবলৈ লিখিতভাৱে চুক্তিবদ্ধ হব লাগিব।

**11.** ৰেকৰ্ড আৰু পঞ্জীয়ন ৰক্ষণাবেক্ষণ-

(1) শিশুৰ সুৰক্ষা নিশ্চিত কৰিবলৈ সকলো প্ৰতিষ্ঠানে তলত দিয়া পঞ্জীয়নসমূহৰ গোট ৰক্ষণাবেক্ষণ কৰিব লাগিব, যথা:-

(i) ফটো থকা শিশুৰ নামভৰ্তি আৰু ডিচচাৰ্জ পঞ্জীয়ন;

(ii) যোগাযোগৰ বিৱৰণ থকা ছাত্ৰ-ছাত্ৰীৰ বাবে পৰিচয় পত্ৰ;

(iii) শিশুৰ লগতে কৰ্মচাৰীৰ উপস্থিতিৰ পঞ্জীয়ন;

(iv) দৰ্শনাৰ্থীৰ পঞ্জীয়ন আৰু দৰ্শনাৰ্থীৰ কিতাপ;

(v) অনুষ্ঠানটোৰ সকলো কাৰ্য্যকলাপৰ বাবে সভাৰ পঞ্জীয়ন;

(vi) শিশুৰ কাৰ্য্যকলাপ লিপিবদ্ধ কৰাৰ বাবে পঞ্জীয়ন, যদিহে এনে শিশুৰ বাবে বিষয়টো সমাধান কৰিবলৈ আৰু কোনো সমস্যাৰ পৰা হাত সাৰিবলৈ পৰামৰ্শ ব্যৱস্থাৰ প্ৰয়োজন হয়।

(2) ওপৰৰ কথাখিনিৰ উপৰিও, বিভিন্ন আইন / নিৰ্দেশনাত নিৰ্ধাৰিত আন সকলো ৰেকৰ্ড আৰু পঞ্জীয়ন আৰু শিশুৰ অগ্ৰগতিৰ মূল্যায়নৰ বাবে প্ৰতিষ্ঠানটোৱে ৰক্ষণাবেক্ষণ কৰিব লাগিব।

**12. সঁহাৰিৰ ব্যৱস্থা**

প্ৰতিষ্ঠান আৰু ইয়াৰ নিৰ্দিষ্ট কৰ্মীসকলে তলত উল্লেখ কৰা ব্যৱস্থাসমূহ পালন আৰু কাৰ্যকৰী কৰিব লাগিব-

(1) যিকোনো সংঘটিত ঘটনাৰ খবৰ দিয়া

নিৰ্দিষ্ট শিশু নিৰাপত্তা বিষয়াই (অগ্ৰাধিকাৰ অনুসৰি) বা আন যিকোনো কৰ্মচাৰীয়ে নিৰ্যাতনৰ খবৰ পোৱাৰ পিছত যিমান পাৰি সোনকালে তলত দিয়া ব্যৱস্থাসমূহ গ্ৰহণ কৰিব লাগিব:

(i) কিশোৰ ন্যায় বিচাৰ (শিশুৰ যত্ন আৰু সুৰক্ষা) আইন, ২০১৫ বা যৌন অপৰাধৰ পৰা শিশু সুৰক্ষা (POCSO) আইন, ২০১২ বা অন্যান্য প্ৰাসংগিক বিধিগত বিধানৰ প্ৰাসংগিক ধাৰাত নিকটতম আৰক্ষী থানাত প্ৰথম তথ্য প্ৰতিবেদন (FIR) দাখিল কৰিব লাগিব;

(ii) শিশুটিৰ পিতৃ-মাতৃ/অভিভাৱিকাক অৱগত কৰা;

(iii) শিশু কল্যাণ সমিতিৰ আগত ঘটনাৰ বিষয়ে অৱগত কৰা;

(iv) জিলা শিশু সুৰক্ষা বিষয়াক অৱগত কৰা।

**(2) তাৎক্ষণিক চিকিৎসা সেৱা আৰু পৰামৰ্শ প্ৰদান কৰা**

যদি প্ৰতিষ্ঠানটো অ-আৱাসিক হয় আৰু সেই ঠাইত কোনো প্ৰশিক্ষিত পৰামৰ্শদাতা নাথাকে, তেন্তে তেওঁলোকে জিলা শিশু সুৰক্ষা গোট, শিশু জৰুৰীকালীন সেৱা (১০৯৮), ৱান ষ্টপ চেন্টাৰ, নিৰ্দিষ্ট সহায়ক ব্যক্তি বা যিকোনো যোগ্য ব্যক্তিৰ পৰা সহায় বিচাৰিব পাৰে। যদিহে গোচৰটো যৌন অপৰাধৰ পৰা শিশু সুৰক্ষা (POCSO) আইন, ২০১২ৰ অধীনত জড়িত হয়, তেন্তে জৰুৰীকালীন চিকিৎসা সেৱাৰ বিধানসমূহ মানি চলিব লাগিব আৰু ব্যক্তিগত আৰু চৰকাৰী উভয় চিকিৎসালয়সমূহে এনে শিশুসকলক জৰুৰীকালীন চিকিৎসা প্ৰদান কৰিব লাগিব।

**(3) শিশুৰ ভাষ্য লিপিবদ্ধ কৰা**

(i) শিশুৰ পৰা লিপিবদ্ধ কৰা যিকোনো পাৰস্পৰিক ক্ৰিয়া-কলাপ বা বক্তব্য ভুক্তভোগী বা অভিযুক্ত অপৰাধীয়ে যৌন অপৰাধৰ পৰা শিশু সুৰক্ষা (POCSO) আইন, ২০১২ৰ বিধানসমূহ কঠোৰভাৱে মানি চলিব লাগিব নেকি। অনুষ্ঠানসমূহে ভুক্তভোগী শিশুসকলৰ বাবে শিশু কল্যাণ বিশেষজ্ঞ, মানসিক স্বাস্থ্য বিশেষজ্ঞক অনুসন্ধানৰ সময়ত নিযুক্তি দিব লাগিব। এনে কোনো তদন্ত কঠোৰভাৱে প্ৰশাসনিক প্ৰকৃতিৰ হ'ব আৰু আইন প্ৰয়োগকাৰী সংস্থাসমূহে কৰা কোনো তদন্তত হস্তক্ষেপ বা ক্ষতিগ্ৰস্ত নহ'ব।

(ii) 'বিপদগ্ৰস্ত' বা 'নিৰ্যাতিত' হিচাপে নিৰ্ধাৰণ কৰা শিশুসকলক বিশেষ অগ্ৰাধিকাৰ দিয়া হ'ব। নিৰ্দিষ্ট শিশু নিৰাপত্তা বিষয়াই নূন্যতম এবছৰৰ বাবে শিশুৰ কল্যাণ নিৰীক্ষণ আৰু অনুসৰণ কৰিব লাগিব আৰু পৰিশিষ্ট-V অনুসৰি সময়ে সময়ে প্ৰতিবেদন আভ্যন্তৰীণভাৱে দাখিল কৰিব লাগিব।

(iii) প্ৰতিষ্ঠানটোৱে নিয়মীয়াকৈ পৰামৰ্শদাতাৰ সহায় আগবঢ়াব লাগিব আৰু শিশুটিক যিকোনো ধৰণৰ বৈষম্যৰ পৰা সুৰক্ষিত কৰা হ'ব।

(iv) মনোবিজ্ঞানী, মানসিক স্বাস্থ্য বিশেষজ্ঞ, আইনী বিশেষজ্ঞ, সমাজকৰ্মী, সহায়ক ব্যক্তি আৰু শিশু বিকাশ বিশেষজ্ঞকে ধৰি সকলো নিয়োজিত পেছাদাৰীয়ে যৌন অপৰাধৰ পৰা শিশু সুৰক্ষা (POCSO) আইন, ২০১২ৰ আইনী ব্যৱস্থাৱলী আৰু আদেশ কঠোৰভাৱে মানি চলিব লাগিব।

**13. অভিযুক্ত কৰ্মচাৰী বা বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ**

তদন্ত সম্পূৰ্ণ নোহোৱালৈকে অভিযুক্ত কৰ্মচাৰী বা প্ৰতিষ্ঠানটোৰ সৈতে জড়িত বিষয়াক শিশুটিৰ সংস্পৰ্শলৈ আহিবলৈ দিয়া নহ'ব, আৰু অভিযোগ প্ৰমাণিত হ'লে এনে অপৰাধীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**14. গোপনীয়তা**

শিশুৰ পৰিচয় আৰু তথ্য সুৰক্ষিত কৰিব লাগিব। প্ৰযোজ্য আইনসমূহৰ নিৰ্দিষ্ট ব্যৱস্থা বাধ্যতামূলকভাৱে মানি চলিব লাগিব।

**15. প্ৰতিবেদন প্ৰদানৰ ব্যৱস্থা আৰু পদ্ধতি**

(1) শিশুৰ সৈতে জৰিত কৰ্মচাৰী বা পেছাদাৰীসকল, যেনে যত্ন লোৱা ব্যক্তি, পৰিচালনা আৰু প্ৰশাসনিক কৰ্মচাৰী, শিক্ষক আৰু অন্যান্য কৰ্মচাৰী, সমাজকৰ্মী, স্বেচ্ছাসেৱক, বিক্ৰেতা, আইন প্ৰয়োগকাৰী সংস্থা আৰু স্বাস্থ্যসেৱা প্ৰদানকাৰীকে ধৰি অন্যান্য যিকোনো সেৱা প্ৰদানকাৰী সূচক নিৰ্দেশনা আৰু ফৰ্মেটসমূহ পৰিশিষ্ট III, IV আৰু VI অনুসৰি কৰিব লাগিব।

(2) অন্যান্য উৎসৰ পৰা পোৱা অভিযোগৰ বাবে তলত দিয়া পদ্ধতি গ্ৰহণ কৰা হ'ব-

(i) যিকোনো ব্যক্তিয়ে শিশু নিৰ্যাতনৰ কোনো ঘটনা বা সম্ভাব্য নিৰ্যাতনৰ গোচৰৰ বিষয়ে জানিলে সংশ্লিষ্ট অনুষ্ঠানৰ শিশু নিৰাপত্তা বিষয়াৰ আগত সেই বিষয়ে অৱগত কৰিব লাগিব।

(ii) অনুষ্ঠানৰ শিশু নিৰাপত্তা বিষয়াই যদি শিশু / পিতৃ-মাতৃ / অভিভাৱক / আত্মীয় বা শিশুৰ বিষয়ে পৰ্যাপ্ত তথ্য থকা বুলি বিশ্বাস কৰা যিকোনো ব্যক্তিৰ পৰা অভিযোগ লাভ কৰে তেন্তে এই নীতিত উল্লেখ কৰা ধৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

**16. পৰ্যালোচনাৰ ব্যৱস্থা**

(1) অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগে ৰাজ্যিক শিশু সুৰক্ষা সমিতি (SCPS)ৰ কাৰিকৰী সহায় আৰু নিৰ্দেশনাৰ সহায়ত এই নীতি ৰূপায়ণৰ তদাৰক আৰু পৰ্যালোচনা কৰিব।

(2) সমন্বয় আৰু প্ৰতিবেদন: ৰাজ্যিক শিশু সুৰক্ষা সমিতিয়ে (SCPS) সকলো জিলা শিশু সুৰক্ষা গোট (DCPU)ৰ সৈতে সমন্বয় ৰাখি গৃহীত পদক্ষেপৰ ওপৰত প্ৰতিবেদন সংগ্ৰহ কৰিব আৰু এই প্ৰতিবেদনসমূহ মহিলা আৰু শিশু উন্নয়ন বিভাগক দাখিল কৰিব।

**পৰিশিষ্ট I**

**প্ৰতিষ্ঠানসমূহৰ বাবে প্ৰদৰ্শন বৰ্ডৰ নমুনা বিষয়বস্তু**

**5.1. প্ৰতিষ্ঠানৰ নাম:** ____________________

**5.2 যোগাযোগৰ বাবে ঠিকনা:** ____________________

**5.3 মূল যোগাযোগসমূহ:** ____________________

(a) স্থানীয় থানা ____________________

(b) শিশু কল্যাণ সমিতি - অধ্যক্ষ/সদস্য ____________________

(c) কিশোৰ ন্যায় ব'ৰ্ড - অধ্যক্ষ/সদস্য ____________________

(d) শিশু কল্যাণ বিষয়া (নিকটতম বিশেষ কিশোৰ আৰক্ষী ইউনিটৰ) ____________________

(e) আৰক্ষী অধীক্ষক ____________________

(f) জিলা উপায়ুক্ত ____________________

(g) জিলা শিশু সুৰক্ষা বিষয়া (DCPO) ____________________

(h) হেল্পলাইন নম্বৰ: জৰুৰীকালীন সেৱা ব্যৱস্থা (১১২), শিশু হেল্পলাইন (১০৯৮), আৰক্ষী (১০০), মহিলা হেল্পলাইন (১৮১) ____________________

(i) অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগ (ASCPCR) ____________________

**5.4 শিশু নিৰাপত্তা বিষয়াৰ নাম:** ____________________

**5.5 পদবী আৰু যোগাযোগৰ বিৱৰণ:** ____________________

**5.6 প্ৰতিষ্ঠানৰ সৰ্বোচ্চ পদবীৰ বিষয়াৰ নাম:** ____________________

**5.7 পদবী আৰু যোগাযোগৰ বিৱৰণ:** ____________________

**5.8 অন্য যিকোনো মূল যোগাযোগ:** ____________________

**পৰিশিষ্ট II**

**সকলো কৰ্মচাৰীৰ ঘোষণা পত্ৰ**

মই, ____________________________________________

(কৰ্মচাৰীৰ নাম আৰু পদ), ________________________________ (সংস্থাটোৰ নাম)ৰ পৰা ইয়াৰ দ্বাৰা ঘোষণা কৰিছো যে:

(i) বয়স, অক্ষমতা, লিংগ, বৰ্ণ ঐতিহ্য, ধৰ্মীয় বিশ্বাস, যৌন অভিমুখীতা বা পৰিচয় নিৰ্বিশেষে সকলো শিশুকে মই সদায় সন্মান কৰিম;

(ii) সকলো ধৰণৰ ক্ষতি বা নিৰ্যাতনৰ পৰা সমান সুৰক্ষাৰ অধিকাৰক সমৰ্থন কৰিম;

(iii) শ্ৰম (নিষেধাজ্ঞা আৰু নিয়ন্ত্ৰণ) আইন, ১৯৮৬ ৰ অধীনত সংজ্ঞায়িত কৰা অনুসৰি মই কোনো শিশুক নিয়োগ নকৰো ;

(iv) শিশু নিৰ্যাতন, শোষণ আৰু অৱহেলাৰ যিকোনো গোচৰ মোৰ জ্ঞাত হ'লে মই সদায় উপযুক্ত কৰ্তৃপক্ষক জ্ঞাত কৰিম আৰু কোনো শিশুৰ শাৰীৰিক, আৱেগিক বা যৌনভাৱে ক্ষতি বা নিৰ্যাতন নকৰো।

**কৰ্মচাৰীৰ নাম**

**পৰিশিষ্ট III**

## ‘বিপদগ্ৰস্ত’ বা ‘নিৰ্যাতিত’ শিশুক অনুসৰণমূলক সহায়

পৰ্যবেক্ষণৰ ভিত্তিত অনুসৰণমূলক সহায়ক ৰিপ’ৰ্ট প্ৰস্তুত আৰু আপডেট কৰিব লাগে। সাধাৰণতে, শিশুটিৰ সাক্ষাৎকাৰ লববলৈ অনুমতি দিয়া নহব; কিন্তু যদি শিশুটিৰ সৈতে কোনো ধৰণৰ সাক্ষাৎকাৰৰ প্ৰয়োজন হয়, তেন্তে শিশুটিক পুনৰ নিৰ্যাতনৰ বলি হোৱাৰ পৰা ৰক্ষা কৰিবলৈ আৰু অধিক ক্ষতি/নিৰ্যাতন/আঘাতৰ পৰা ৰক্ষা কৰিবলৈ সঠিক সুৰক্ষা ব্যৱস্থা মানি চলিব লাগে।

**অংশ - ১**

পৰ্যবেক্ষণসমূহ

- **শাৰীৰিক স্বাস্থ্যৰ অৱস্থা**
  (বাহ্যিক আঘাত ভাল হোৱাৰ অৱস্থা, যদি কোনো আঘাত কৰা হয়; কোনো আভ্যন্তৰীণ শাৰীৰিক আঘাতৰ মূল্যায়নৰ বাবে বা ব্যক্তিগত অংশ, এজন যোগ্য পেছাদাৰী চিকিৎসক নিয়োজিত হ'ব লাগে আৰু চিকিৎসা পৰীক্ষাৰ বাবে সঠিক প্ৰট'কল মানি চলিব লাগে):
- **মানসিক স্বাস্থ্য** (সমনীয়া আৰু অভিভাৱকৰ পৰামৰ্শ অতি সংবেদনশীলতাৰে ল’ব পাৰি):
- **শৈক্ষিক আৰু সহ-পাঠ্যক্ৰমৰ কাৰ্য্যকলাপত নিয়োজিত হোৱা** (জড়িত লোকসকলৰ পৰামৰ্শ ল’ব পাৰি):
- **আন যিকোনো পৰ্যবেক্ষণ:**

**অংশ-২**

অনুসৰণৰ পৰিকল্পনা

| **ক্ৰ.নং** | **সমৰ্থনৰ বহল ক্ষেত্ৰ** | **গ্ৰহণ কৰিবলগীয়া নিৰ্দিষ্ট কাৰ্য্যকলাপ** | **সময়ৰেখা** |
|---|---|---|---|
| 1 | | | |
| 2 | | | |
| 3 | | | |

বি:দ্ৰ: যদি শিশুটি প্ৰতিষ্ঠানৰ পৰা বাহিৰলৈ গুচি গৈছে, তেন্তে শিশু কল্যাণ সমিতিক এই বিষয়ে অৱগত কৰা হ’ব আৰু শিশু কল্যাণ সমিতিয়ে অনুসৰণমূলক সহায় আগবঢ়োৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব।

**পৰিশিষ্ট IV**

## ভুক্তভোগীৰ বক্তব্য সংৰক্ষণ কৰাৰ সময়ত কৰিবলগীয়া আৰু নকৰিবলগীয়া

| কৰিবলগীয়া | নকৰিবলগীয়া |
|---|---|
| শিশুটিক বিশ্বাস কৰক। | অভিযোগকাৰী প্ৰশ্ন নকৰিব। |
| শিশুটিৰ লগত সম্পৰ্ক গঢ়ি তোলক। | অত্যধিক আনুষ্ঠানিক নহ'ব। |
| বিশ্বাসৰ পৰিমাণ দেখুৱাওক। | বিচাৰ-বিবেচনা নকৰিব। |
| অভিগম্যতা আৰু নিৰ্ভৰযোগ্যতাৰ পৰিমাপ দেখুৱাওক। | সাক্ষাতকাৰ বাদ নেপেলাব। |
| শিশুটিক গোপনীয়তাৰ নিশ্চয়তা দিয়ক যিটো যুক্তিসংগত। | শিশুৱে আপোনাৰ লগত কথা পাতি থকাৰ সময়ত পঢ়িব নালাগে, ফোনত কথা পাতিব নালাগে ইত্যাদি। |
| বাস্তৱিক হওক আৰু পৰিস্থিতিসমূহ যিদৰে হোৱাৰ সম্ভাৱনা আছে সেইদৰে বুজাওক। | পেছাগতভাৱে প্ৰয়োজন নহ'লে শিশুটিৰ বিষয়ে তথ্য নিদিব। |
| শিশুৱে আত্মবিশ্বাসেৰে কথা ক'ব পৰাকৈ গোপনীয়তা নিশ্চিত কৰক। | আপোনাৰ নিয়ন্ত্ৰণ নথকা বিষয়বোৰৰ বিষয়ে শিশুটিক আশ্বাস নিদিব। |
| ধৈৰ্য্য ধৰিব। শিশুটিক নিজৰ গতিৰে আগবাঢ়ি যাবলৈ দিয়ক। মনোযোগেৰে, ধৈৰ্য্যৰে আৰু বুজাবুজিৰে শুনা। | এনে মুকলি ঠাইত সাক্ষাৎকাৰ নিদিব য'ত বাধা আৰু গোপনে শুনা মানুহৰ সম্ভাৱনা থাকে। |
| শিশুটিক যিদৰে আছে তেনেকৈয়ে গ্ৰহণ কৰক। | শিশুটিক কথা ক'বলৈ হেঁচা নিদিব। |
| কোঠাটো আৰামদায়ক আৰু শিথিল হ'ব লাগে। | শিশুৱে অস্বস্তি অনুভৱ কৰা ঠাইলৈ নাযাব। |

**পৰিশিষ্ট V**

**নীতিৰ অধীনত কৰ্তৃপক্ষক প্ৰতিবেদন দিবলৈ শিশু নিৰাপত্তা বিষয়াৰ বাবে সময়ে সময়ে প্ৰতিবেদন ফৰ্মেট**

1. শিশুটিৰ নাম:

2. বয়স: লিংগ: শাৰীৰিকভাৱে প্ৰত্যাহ্বানজনক:

3. শিশুটি প্ৰতিষ্ঠানিক যত্ন / অপ্ৰতিষ্ঠানিক যত্নত আছে নে নাই:

4. ৰিপৰ্ট কৰা নিৰ্যাতনৰ প্ৰকাৰ (শিশুৰ কথা ব্যৱহাৰ কৰি):

   কোনে ৰিপৰ্ট কৰিছে:

5. অপৰাধীৰ তথ্য:

- নাম: বয়স: লিংগ:
- শিশুৰ সৈতে সম্পৰ্ক:
- কৰ্মচাৰীৰ প্ৰকাৰ: বছৰৰ অভিজ্ঞতা:

6. আন যিকোনো শিশু জড়িত:

   যদি আছে, কেনে ধাৰ্য্য কৰক:

7. অপৰাধৰ প্ৰকৃতি:

- ঘটনাৰ তাৰিখ আৰু সময়:
- শিশুৰ বক্তব্য:
- ঘটনাৰ কোনো সাক্ষী আছে নে:
- চিকিৎসাৰ প্ৰয়োজন আছে নে নাই (যদি হয়, কি ধৰণৰ):
- হস্তক্ষেপ:
- শিশু সুৰক্ষা সমিতিয়ে কিমান দিনৰ ভিতৰত ব্যৱস্থা গ্ৰহণ কৰিছিল:
- নিৰ্যাতনকাৰীৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থাসমূহ:
- প্ৰতিবেদনৰ বিশ্লেষণ:

*শিশু নিৰাপত্তা বিষয়াৰ স্বাক্ষৰ*

*তাৰিখ:*

**পৰিশিষ্ট VI**

## নিৰ্যাতনৰ প্ৰকৃতি আৰু সূচক

তলত বিভিন্ন ধৰণৰ নিৰ্যাতনৰ সৈতে জড়িত আচৰণৰ লক্ষণ আৰু সূচকৰ এটা সূচক তালিকা দিয়া হৈছে। তালিকাখন ব্যাপক নহয় আৰু শিশুৰ সৈতে জড়িত প্ৰতিষ্ঠানসমূহে এই ক্ষেত্ৰত কাম কৰা বিশেষজ্ঞ সংস্থাসমূহৰ পৰা পৰামৰ্শ আৰু সহায় বিচাৰিব লাগে।

| নিৰ্যাতনৰ প্ৰকৃতি | সূচকসমূহ |
|---|---|
| **শাৰীৰিক নিৰ্যাতন** | **আচৰণৰ সূচকসমূহ:**<br>• শাৰীৰিক সংস্পৰ্শত অস্বস্তি অনুভৱ কৰা<br>• প্ৰাপ্তবয়স্কৰ সংস্পৰ্শৰ পৰা সতৰ্ক হোৱা<br>• আন শিশুৱে কান্দিলে আশংকা হোৱা<br>• আচৰণগত চৰম আক্ৰমণাত্মকতা বা প্ৰত্যাহাৰ দেখুওৱা<br>• পিতৃ-মাতৃক ভয় খোৱা<br>• ঘৰলৈ যাবলৈ ভয় কৰা<br>• স্কুলত সোনকালে উপস্থিত হোৱা বা দেৰিলৈকে থকা, যেন ঘৰত থাকিবলৈ ভয় কৰা<br>• অভিভাৱকৰ দ্বাৰা আঘাত পোৱাৰ খবৰ দিয়া<br>• ব্যথাৰ অভিযোগ বা অস্বস্তিকৰভাৱে লৰচৰ কৰা<br>• শৰীৰ ঢাকিবলৈ বতৰৰ অনুপযুক্ত কাপোৰ পিন্ধা<br>• ঘৰৰ পৰা দীৰ্ঘদিনীয়া পলায়ন (কিশোৰ-কিশোৰী)<br>• জিমৰ কাম-কাজৰ বাবে কাপোৰ সলনি কৰিবলৈ অনিচ্ছুক হোৱা (আঘাত, ঘাঁ লুকুৱাবলৈ চেষ্টা কৰা)<br>**শাৰীৰিক সূচকসমূহ:**<br>• মুখ, ওঁঠ, পিঠি, উৰুত ঘাঁ, কাটি যোৱা<br>• আঘাত কৰিবলৈ ব্যৱহাৰ কৰা বস্তুটোৰ আকৃতি প্ৰতিফলিত কৰা (বৈদ্যুতিক কৰ্ড, বেল্টৰ বাকল)<br>• জ্বলা-পোৰাৰ চিন<br>• হাড় ভঙা<br>• অনুপস্থিতি বা ছুটীৰ পিছত নিয়মিতভাৱে দেৰিকৈ উপস্থিত হোৱা |
| **আৱেগিক বা মানসিক নিৰ্যাতন** | • উদাসীনতা |

| | |
|---|---|
| | • উদাস<br>• উদ্বিগ্ন<br>• আত্মবিশ্বাসৰ অভাৱ<br>• উদ্যোমীতাৰ অভাৱ<br>• প্ৰকাশ কৰাটো কঠিন |
| **যৌন নিৰ্যাতন** | • ৰাতি চিঞৰ বা দুঃস্বপ্নেৰে সাৰ পাই উঠা<br>• পৰিয়ালৰ সদস্য, বন্ধু, খেলনা, আৰু/বা পোহনীয়া জন্তুৰ প্ৰতি অস্বাভাৱিকভাৱে আক্ৰমণাত্মক আচৰণ দেখুওৱা<br>• প্ৰস্ৰাৱ কৰাৰ সময়ত বা মলত্যাগ কৰাৰ সময়ত বিষৰ অভিযোগ কৰা, বা সংক্ৰমণৰ লক্ষণ যেনে আপত্তিজনক দুৰ্গন্ধ , স্ৰাৱ, বা যৌন সংক্ৰামক ৰোগৰ লক্ষণ<br>• যৌনাংগ বা পায়ুপথত শাৰীৰিক আঘাতৰ প্ৰমাণৰ ইংগিত দিয়া লক্ষণ থকা<br>• ভোক কমি যোৱা বা অন্যান্য খাদ্যাভ্যাসৰ সমস্যাৰ সন্মুখীন হোৱা, য'ত অস্পষ্টভাৱে মুখ বন্ধ কৰি ৰখাও অন্তৰ্ভুক্ত<br>• কোনো নিৰ্দিষ্ট ঠাই বা স্থানৰ প্ৰতি অস্বাভাৱিক ভয় দেখুৱাই |

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 1053 - 10 + 10 - 07- 09 - 2026. (visit at– dpns.assam.gov.in)